Total No. of Printed Pages—3

## 1 SEM TDC ASMH (CBCS) C 1

**2021**

( March )

ASSAMESE

( Core )

Paper : C–1

**( অসমীয়া সাহিত্যৰ বুৰঞ্জী—১ )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) ‘অসমীয়া সাহিত্যৰ চানেকি’ নামৰ গ্ৰন্থখনিৰ যোগেদি অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ প্ৰথম প্ৰয়াস কোনে কৰিছিল?

(খ) ডাকৰ বচন, সাধুকথা আদি কোন শ্ৰেণীৰ সাহিত্য?

(গ) মাধৱ কন্দলিক কাব্য ৰচনাত পৃষ্ঠপোষকতা কৰা ৰজাজন কোন আছিল?

(ঘ) ‘প্ৰহ্লাদ চৰিত্ৰ’ নামৰ কাব্যখনৰ ৰচকজনৰ নাম লিখাঁ।





(ঙ) শংকৰদেৱে ৰচনা কৰা নাটসমূহক কি নামেৰে জনা যায়?

(চ) ‘চোৰধৰা’, ‘পিম্পৰা গুচোৱা’ আদি ঝুমুৰাসমূহৰ লেখকজনৰ নাম লিখাঁ।

(ছ) চৰিত-পুথি আৰু গদ্য-সাহিত্যৰ উদ্ভৱ আৰু বিকাশ কোনটো যুগত হোৱা বুলি কোৱা হয়?

(জ) বকুল কায়স্থই ৰচনা কৰা গণিত-বিষয়ক গ্ৰন্থখনিৰ নাম লিখাঁ।

২। (ক) ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই কৰা অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) বিভিন্নজন পণ্ডিতে কৰা অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ আধাৰত এটি আলোচনা যুগুত কৰাঁ।

৩। (ক) অসমীয়া সাহিত্যৰ ইতিহাসত মৌখিক লোকসাহিত্যসমূহৰ স্থান-বিষয়ক এটি টোকা লিখাঁ। ১৫

*অথবা*

(খ) প্ৰত্ন-অসমীয়া সাহিত্যৰূপে পৰিচিত চৰ্যাপদৰ সকলোদিশ সামৰি এটি আলোচনা আগবঢ়োৱাঁ।

৪। মাধৱ কন্দলিৰ চমু পৰিচয় দাঙি ধৰি কাব্য-কৃতি সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ৬+৬=১২

৫। (ক) অসমীয়া সাহিত্যৰ ইতিহাসত শংকৰী যুগটোৰ স্থান সম্পৰ্কে এটি প্ৰবন্ধ লিখাঁ। ১৪

*অথবা*

(খ) অসমীয়া সাহিত্যলৈ শংকৰদেৱৰ অৱদানৰ বিষয়ে বিৱৰি লিখাঁ।

৬। চমু আলোচনা আগবঢ়োৱাঁ (যি কোনো **দুটা**) : ৮×২=১৬

(ক) অসমীয়া গদ্য-সাহিত্যলৈ ভট্টদেৱৰ অৱদান

(খ) অসমীয়া ব্যৱহাৰিক জ্ঞানৰ সাহিত্য

(গ) চৰিত সাহিত্যৰ বৈশিষ্ট্য

★★★